**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 29-04-2024
**Time :** 1800 Hrs.

***ASSAMESE REGIONAL EVENING BULLETIN***

**:::::::::::::::::::::::::::::::::::::**

## HEADLINES

ৰাজ্যৰ তৃতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ প্ৰচাৰৰ বাবে বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি গুৱাহাটীত উপস্থিত হৈছে। শ্ৰী শ্বাহে বিশেষ বিমান যোগে কিছুসময় পূৰ্বে লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰত অৱতৰণ কৰে। তেওঁ গুৱাহাটী লোকসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী বিজুলী কলিতা মেধিৰ হৈ নিৰ্বাচনী প্ৰচাৰত অংশ ল'ব। শ্ৰী শ্বাহে চাইকেল ফেক্টৰী তিনিআলিৰ পৰা লালগণেশলৈ ৰোড শ্ব'ত অংশগ্ৰহণ কৰি প্ৰচাৰ চলাব। ৰাজ্যৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাও শ্ৰীশ্বাহৰ সৈতে ৰোড শ্ব'ত উপস্থিত থাকিব।

ইপিনে, গুৱাহাটী লোক সভা সমষ্টিৰ প্ৰাৰ্থী বিজুলী কলিতা মেধিয়ে আজি ডিমৰীয়া সমষ্টিৰ তাতিমৰাৰ লগতে ঠাকুৰকুছি নিৰ্বাচনী প্ৰচাৰ চলায় ৰাইজৰ সৈতে মত বিনিময় কৰে। একেখন আসনৰ বাবে কংগ্ৰেছ প্ৰাৰ্থী মীৰা বৰঠাকুৰেও আজি বিভিন্ন অঞ্চলত প্ৰচাৰ চলায়। তেওঁ খানাপাৰাত ৰাইজৰ সৈত মত বিনিময় কৰি সংবিধান ৰক্ষাৰ স্বাৰ্থত বিবেকেৰে ভোট দিবলৈ আহ্বান জনায়। প্ৰাৰ্থীগৰাকীৰ সমৰ্থনত চি পি আই এম এলৰ উদ্যোগত মহানগৰৰ পৰা গ্ৰামাঞ্চললৈ প্ৰচাৰ চলোৱা পৰিলক্ষিত হৈছে। আজি দলটোৰ উদ্যোগত পানীখাইতি পঞ্চায়তৰ অন্তৰ্গত বীৰকুছি, তালতলা, পানীখাইতি, ৰাজাবাৰী, ছপাইডাং, বোন্দা অঞ্চলৰ বিভিন্ন গাঁৱৰ ঘৰে ঘৰে প্ৰচাৰ পত্ৰ বিতৰণ কৰাৰ লগতে পথ সভা অনুষ্ঠিত হয়।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি নলবাৰী জিলাৰ কেইবাটাও স্থানত বৰপেটা সমষ্টিৰ বিজেপি মিত্ৰজোঁট সমৰ্থিত প্ৰাৰ্থী ফণীভূষণ চৌধুৰীৰ হৈ প্ৰচাৰ চলায়। তেওঁ বৰক্ষেত্ৰী, হাজো আৰু সৰুপেটাত প্ৰচাৰ চলায়।

মন্ত্ৰী পীযুষ হাজৰিকাই কোকৰাঝাৰ লোকসভা সমষ্টিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীৰ হৈ বাক্সা জিলাৰ বৰমাত প্ৰচাৰ চলায়। ইপিনে, মানকাচৰ বিধানসভা সমষ্টিত ধুবুৰী সমষ্টিৰ এ আই ইউ ডি এফ প্ৰাৰ্থী বদৰুদ্দিন আজমলে কেইবাখনো নিৰ্বাচনী সভাত অংশ লয়।

আনহাতে অসম গণ পৰিষদ দলৰ গোৱালপাৰা পূব বিধানসভা সমষ্টিৰ উদ্যোগত মিত্ৰজোঁট তথা অগপ প্ৰাৰ্থী জাবেদ ইছলামৰ সমৰ্থনত গোৱালপাৰা চহৰৰ হাতীপাৰাত নিৰ্বাচনী প্ৰচাৰ সভা অনুষ্ঠিত হয়। সভাত অগপ নেতা তথা মন্ত্ৰী অতুল বৰাই অংগ্ৰহণ কৰে। ইয়াৰ উপৰি তেওঁ গোৱালাপাৰাৰ হেলাপাখিৰি আৰু চেঁচাপানীত অনুষ্ঠিত নিৰ্বাচনী সভাত অংশ লৈ বিজেপি সমৰ্থিত প্ৰাৰ্থীগৰাকীৰ হৈ প্ৰচাৰ চলায়।

০০০০০০

ৰাজ্যখনত তৃতীয় পৰ্যায়ত হ'বলগীয়া নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনসমূহে ভোটদাতাৰ সজাগতামূলক ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে নিৰ্বাচনী আচৰণবিধি উলংঘাৰ ঘটনা ৰোধ কৰিবলৈ বিহিত ব্যৱস্থা লৈছে। এই অনুসৰি বিভিন্ন জিলাত ভোটদাতাৰ সজাগতাৰ বাবে কাৰ্যসূচী গ্ৰহণ কৰাৰ

লগতে ফ্লাইং স্কোৱাদ আৰু নিৰীক্ষণকাৰী দলসমূহে নিৰ্বাচনী আচৰণ বিধি উলংঘাৰ ঘটনা ধৰা পেলোৱাৰ বাবে কাৰ্যকৰী ব্যৱস্থা লৈছে। নিৰ্বাচন হবলগীয়া ৪ টা সমষ্টি গুৱাহাটী, বৰপেটা, কোকৰাঝাৰ আৰু ধুবুৰীৰ অন্তৰ্গত অঞ্চলসমূহত নিৰ্বাচন  বিভাগ আৰু জিলা প্ৰশাসনৰ উদ্যোগত যুৱ ভোটদাতাসকলক ভোটদানৰ বাবে আগ্ৰহী কৰি তুলিবলৈ বিভিন্ন কাৰ্যসূচী লোৱা হৈছে।  ইপিনে, নিৰ্বাচন সুকলমে পৰিচালনাৰ বাবে ভোটগ্ৰহণ হ'বলগীয়া কেন্দ্ৰসমূহত নিৰ্বাচনী আয়োগৰ নিৰ্দেশনামৰ্মে সুৰক্ষা ব্যৱস্থাকে ধৰি প্ৰয়োজনীয় সকলো ব্যৱস্থা কৰিবলৈ জিলা নিৰ্বাচন বিভাগসমূহে নিশ্চিত কৰিছে। প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰলৈ আহি ভোটদান কৰাৰ বাবে ইচ্ছুক জ্যেষ্ঠ নাগৰিক আৰু দিব্যাংগসকলক ভোটদানৰ সুবিধা কৰি দিয়াৰ বাবেও উপযুক্ত ব্যৱস্থা লোৱা হ'ব। তদুপৰি ৫০ শতাংশ ভোটগ্ৰহণ কেন্দ্ৰত ৱেৰকাষ্টিঙৰ ব্যৱস্থা কৰা হ'ব। একেদৰে নিৰ্বাচনী দায়িত্বত নিয়োজিত বিষয়া কৰ্মচাৰী আৰু ই ভি এম কঢ়িয়াই নিয়া বাহনসমূহত জি পি এছ সংলগ্ন কৰা হ'ব।

০০০০০০

ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকাৰী অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকাৰীৰ নিৰ্দেশ মৰ্মে নগাঁও জিলা আইন সেৱা প্ৰাধিকাৰীৰ উদ্যোগত অহা ১১ মে'ৰ দিনৰ ১১ বজাৰ পৰা নগাঁৱত ৰাষ্ট্ৰীয় লোক আদালতৰ আয়োজন কৰা হৈছে। নগাঁও ন্যায়িক আদালত ভৱনত আয়োজিত এই কাৰ্যসূচীত ফৌজদাৰী, দেৱানী, পাৰিবাৰিক, ৰাজহ সংক্ৰান্তীয় গোচৰৰ উপৰি বেংক ঋণ আদি গোচৰো নিষ্পত্তি কৰা হ'ব। তদুপৰি টেলিফোন বিল, বিদ্যুৎ মাচুল আদি সম্পৰ্কীয় বিবাদ নিষ্পত্তিৰো ব্যৱস্থা কৰা হ'ব। ৰাইজৰ সুবিধাৰ্থে এই গোচৰ সমূহৰ আগতীয়া শুনানিৰ ব্যৱস্থা কৰা হৈছে।

০০০০০০

অধিকাৰ আৰু দায়বদ্ধতা সন্দৰ্ভত স্কুলীয়া শিক্ষাৰ্থীৰ সবলীকৰণ কৰিবলৈ তেজপুৰ বিশ্ববিদ্যালয়ৰ আইন বিভাগে যোৱা শুকুৰবাৰে নপামস্থিত মাধৱদেৱ শিশু নিকেতন বিদ্যালয়ত এটা  সৰ্বাত্মক আইনী সজাগতা অনুষ্ঠানৰ আয়োজন কৰে। নাৰ্চাৰীৰ পৰা দশম শ্ৰেণীলৈ  দুই শতাধিক শিক্ষাৰ্থীয়ে এই দিনজোৰা কাৰ্যসূচীত অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত বিশ্ববিদ্যালয়খনৰ এল এল এম বিভাগৰ দ্বিতীয় আৰু চতুৰ্থ ষাণ্মাসিকৰ শিক্ষাৰ্থীসকলে বাটৰ নাট পৰিৱেশন কৰে। শিশুৰ যৌন নিৰ্যাতন, শিশু শ্ৰমিক আৰু আৱৰ্জনা ব্যৱস্থাপনাৰ বিষয়ত বাটৰ নাট পৰিৱেশন কৰা হয়। ইয়াৰ দ্বাৰা শিক্ষাৰ্থীসকলৰ এই সংবেদনশীল বিষয়সমূহৰ ওপৰত সজাগতা বৃদ্ধি কৰা হৈছে। বিশ্ববিদ্যালয়খনৰ আইন বিভাগৰ শিক্ষাৰ্থীসকলে স্কুলীয়া শিক্ষাৰ্থীসকলক শিক্ষাৰ অধিকাৰ, শিশু শ্ৰমিক, বিনামূলীয়া আইনী সাহায্যৰ সুবিধা ইত্যাদি বিষয়সমূহৰ ওপৰত অৱগত কৰে। অনুষ্ঠানত  তেজপুৰ বিশ্ববিদ্যালয়ৰ আইন বিভাগৰ অধ্যাপকসকল আৰু বিদ্যালয়খনৰ অধ্যক্ষগৰাকী উপস্থিত আছিল বুলি প্ৰেছ বিজ্ঞপ্তিযোগে জনোৱা হৈছে।

০০০০০০

নেচনেল টেষ্টিং এজেন্সি আৰু বিশ্ববিদ্যালয় অনুদান আয়োগে উই জি চি নেট পৰীক্ষা অহা ১৬ জুনৰ পৰিৱৰ্তে ১৮ জুনত অনুষ্ঠিত কৰা হ'ব বুলি ঘোষণা কৰিছে। পৰীক্ষাৰ্থীসকলৰ মতামতৰ প্ৰতি লক্ষ্য ৰাখি এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। নেচনেল টেষ্টিং এজেন্সিয়ে সেই দিনটোত অ' এম আৰ পদ্ধতিৰে সমগ্ৰ দেশত এই পৰীক্ষা অনুষ্ঠিত কৰিব।

০০০০০০

ঃসমাপ্তঃ